**NSD NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date :** 23-04-2024
**Time :** 19-10 Hrs

## Assamese Evening Bulletin

::::::::::::::::::::::::::::::::

১। লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

২। প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কংগ্ৰেছ দলে তোষামোদ আৰু ভোটবেংকৰ ৰাজনীতি কৰা বুলি অভিযোগ তুলিছে।

৩। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আই এন ডি আই মিত্ৰজোট ক্ষমতালৈ আহিলে নাগৰিকত্ব সংশোধনী আইন বাতিল কৰিব বুলি মন্তব্য কৰাৰ বাবে কংগ্ৰেছ নেতা পি চিদাম্বৰমক সমালোচনা কৰিছে।

৪। আধাৰ বেংকিঙৰ ক্ষেত্ৰত মাহত কমেও এবাৰ লেনদেন অনিবাৰ্য কৰাৰ দাবী চৰকাৰে প্ৰত্যাখ্যান কৰিছে। *আৰু*

৫। চেন্নাই ছুপাৰ কিংছ কিছুসময়ৰ পাছত চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ মুখামুখি হ'ব।

০০০

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। এই পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযানৰ কাইলৈ সামৰণি পৰিব। প্ৰচাৰ অভিযানৰ সামৰণিৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলৰ নেতৃবৰ্গই ভোটদাতাসকলৰ মন জয় কৰাৰ উদ্দেশ্যে দেশৰ বিভিন্ন প্ৰান্তত ৰোড শ্ব'ত অংশগ্ৰহণ কৰা পৰিলক্ষিত হৈছে। এই পৰ্যায়ত দেশৰ ১৩ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৮৯ টা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কংগ্ৰেছ দলে তোষামোদ আৰু ভোটবেংকৰ ৰাজনীতি কৰা বুলি অভিযোগ তুলিছে। ৰাজস্থানৰ টংক-ছৱাই মাধপুৰ সংসদীয় সমষ্টিৰ উনিয়াৰাত আজি এখন নিৰ্বাচনী সভাক সম্বোধন কৰি শ্ৰীমোদীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ এইবুলি অভিযোগ কৰে যে কংগ্ৰেছ শাসনকালত ২০০৪ আৰু ২০১১ বৰ্ষত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ বাবে সংৰক্ষণ হ্ৰাস কৰা আৰু ধৰ্মৰ ভিত্তিত সংৰক্ষণ প্ৰদানৰ চেষ্টা কৰা হৈছিল। তেওঁ লগতে কয় যে, কংগ্ৰেছে অন্ধ্ৰপ্ৰদেশ আৰু কৰ্ণাটকত ধৰ্মৰ ভিত্তিত সংৰক্ষণ বিভাজনৰ ষড়যন্ত্ৰ কৰিছিল। কংগ্ৰেছে সংবিধানৰ ভাৱনাৰ সৈতে খেলা কৰা বুলি অভিযোগ তুলি শ্ৰীমোদীয়ে অনুসূচীত জাতি-জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে সংৰক্ষণৰ অৱসান ঘটোৱা নহয় অথবা ধৰ্মৰ ভিত্তিত বিভাজনৰ অনুমতি প্ৰদান কৰা নহয় বুলি আশ্বাস প্ৰদান কৰে।

প্ৰধানমন্ত্ৰীয়ে লগতে সৰ্বাধিক হাৰত ভোটদান কৰি গণতন্ত্ৰৰ ভেটি সৱল কৰি তুলিবলৈ ভোটদাতাসকলৰ প্ৰতি আহ্বান জনায়।

দেশৰ বিভিন্ন অংশৰ লগতে উত্তৰ প্ৰদেশতো ৰাজনৈতিক গতিবিধি তীব্ৰতৰ হৈছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে আজি গৌতম বুদ্ধ নগৰ জিলাত প্ৰচাৰ চলায়। জিলাখনত এটা সমাবেশত ভাষণ দি শ্ৰীসিঙে কয় যে, পূৰ্বতে উত্তৰ প্ৰদেশৰ দুৰ্নীতিৰ কেন্দ্ৰ বুলি পৰিচিত নয়দা সম্প্ৰতি ৰাজ্যখনৰ ব্যৱসায়ৰ কেন্দ্ৰত পৰিণত হৈছে। সম্প্ৰতি উত্তৰ প্ৰদেশ আইন শৃংখলা, উন্নয়ন, বিনিয়োগ আৰু সুশাসনৰ বাবে জনজাত হৈ পৰা বুলিও তেওঁ উল্লেখ কৰে। ইপিনে, বিজেপি নেতা তথা উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে আজি পশ্চিম উত্তৰ প্ৰদেশৰ আমৰোহা জিলাত এখন নিৰ্বাচনী সভাত ভাগ লয়। তেওঁ বিয়লি বাগপট জিলাৰ বাৰাঅ'ত এলেকাতো এখন নিৰ্বাচনী সভা সম্বোধন কৰে।

০০০

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আই এন ডি আই মিত্ৰজোট ক্ষমতালৈ আহিলে নাগৰিকত্ব সংশোধনী আইন বাতিল কৰিব বুলি মন্তব্য কৰাৰ বাবে কংগ্ৰেছ নেতা পি চিদাম্বৰমক সমালোচনা কৰিছে। দিল্লীত সংবাদ প্ৰতিষ্ঠানৰ সৈতে হোৱা কথা বতৰাত শ্ৰীশ্বাহে কয় যে, কংগ্ৰেছে নিৰ্বাচনত জয়লাভ কৰাৰ বাবে তোষামোদৰ ৰাজনীতি কৰিছে। তেওঁ কয় যে এন ডি এ চৰকাৰে সকলোকে ন্যায় প্ৰদান কৰাৰ বাবে দায়বদ্ধ আৰু কেতিয়াও নাগৰিকত্ব সংশোধিত আই বাতিল কৰা নহয়। শ্ৰীশ্বাহে কয় যে, সময়মতে ন্যায় প্ৰদানৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্ধাৰণ কৰা সময় অনুসৰি তিনিখন ফৌজদাৰী আইন বলবৎ কৰা হ'ব।

০০০

লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ বৃহস্পতিবাৰে অন্ত পৰিব। শুকুৰবাৰে মনোনয়নসমূহ পৰীক্ষা কৰা হ'ব আৰু ইচ্ছুক প্ৰাৰ্থীসকলে ২৯ এপ্ৰিললৈকে মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। চতুৰ্থ পৰ্যায়ত উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ, মহাৰাষ্ট্ৰ, বিহাৰ, ঝাৰখণ্ড, ওড়িশা, পশ্চিমবংগ, অন্ধ্ৰপ্ৰদেশ, তেলেংগানা আৰু জম্মু-কাশ্মীৰৰ ৯৬ টা সংসদীয় সমষ্টিৰ বাবে ১৩ মে'ত ভোটগ্ৰহণ কৰা হ'ব।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হনুমান জয়ন্তী উপলক্ষে দেশবাসীক ওলগ জনাইছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে ভগৱান হনুমানক স্মৰণ কৰি কৈছে যে সকলো ৰাম ভক্তৰ বাবে পৱন পুত্ৰৰ নিষ্ঠা সদায় অনুপ্ৰেৰণাৰ উৎস হৈ থাকিব। তেওঁ লগতে ভগৱান হনুমানৰ আশিষে বিকশিত ভাৰতৰ সংকল্পত নতুন মাত্ৰা প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০

কেন্দ্ৰীয় চৰকাৰে কমেও এমাহ আধাৰ সংযুক্ত বেংকৰ লেনদেন বাধ্যতামূলক কৰাৰ অভিযোগ খণ্ডন কৰিছে। প্ৰেছ ইনফৰমেশ্বন ব্যুৰোৰ বাতৰিৰ সত্যাসত্য নিৰূপন গোটে ৰিজাৰ্ভ বেংকে প্ৰতিমাহে জনসাধাৰণে আধাৰৰ জৰিয়তে টকাৰ লেনদেন বাধ্যতামূলক কৰা বুলি প্ৰকাশিত বাতৰি খণ্ডন কৰিছে। উপভোক্তাসকলে তেনেদৰে লেনদেন নকৰিলে তেওঁলোকৰ আধাৰ সংযুক্ত ব্যৱস্থা বন্ধ কৰি দিয়া হ'ব বুলি ওলোৱা বাতৰি অগ্ৰাহ্য কৰিছে। পি আই বিয়ে লগতে বেংকৰ একাউণ্ট থকাসকলে তেওঁলোকৰ সেৱা সক্ৰিয় কৰি ৰখাৰ বাবে আধাৰ সংযুক্ত পৰিশোধ ব্যৱসথাৰে প্ৰতিমাহে লেনদেন বাধ্যতামূলক কৰা বুলি কোনো নিৰ্দেশনা দিয়া হোৱা নাই বুলি অৱগত কৰিছে।

০০০

বিদেশ পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড° এছ জয়শংকৰে আজি কৈছে যে প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ শেহতীয়া পৰিকাঠামোত শক্তিশালী আৰু ঐক্যবদ্ধ দক্ষিণ পূৱ এছিয় ৰাষ্ট্ৰগোষ্ঠী আছিয়ানে গঠনমূলক ভূমিকা পালন কৰিব পাৰে বুলি ভাৰতে সচাকৈ বিশ্বাস কৰে। আছিয়ান ৰাষ্ট্ৰগোষ্ঠীৰ প্ৰথম ভৱিষ্যত মঞ্চত ভাৰ্চুৱেল ব্যৱস্থাৰে সম্বোধন কৰি ড° জয়শংকৰে কয় যে, ভাৰতৰ ভাৰত প্ৰশান্ত মহাসাগৰীয় পদক্ষেপ আৰু ভাৰত প্ৰসান্ত মহাসাগৰীয় বিষয় সন্দৰ্ভত আচিয়ানৰ বিশেষ দৃষ্টি আৰু সক্ৰিয়তাৰে এটা সৱল পৰিকাঠামো গঢ়ি তোলাৰ লগতে সুৰক্ষাৰ দিশত উমৈহতীয়া প্ৰত্যাহ্বানসমূহৰ বাবে এই মঞ্চই সুবিধা প্ৰদান কৰে।

০০০

অসামৰিক বিমান পৰিবহণ সঞ্চালকালয়ে একে পি এন আৰ নম্বৰেৰে ভ্ৰমণ কৰা ১২ বছৰ বয়স পৰ্যন্ত শিশুক পিতৃ-মাতৃ অথবা অভিভাৱকৰ সৈতে আসন আৱণ্টন কৰাটো সুনিশ্চিত কৰিবলৈ বিমান পৰিবহণ সংস্থাসমূহক নিৰ্দেশ দিছে। অসামৰিক বিমান পৰিবহণ সঞ্চালকালয়ৰ বিবৃতি অনুসৰি ১২ বছৰ বয়সৰ তলৰ শিশুক পিতৃ-মাতৃ অথবা অভিভাৱকৰ সৈতে আসন আৱণ্টন নিদিয়াৰ কেইবাটাও ঘটনা পোহৰলৈ আহিছে। ইয়াৰ বাবে বৰ্তমানৰ বিমান পৰিবহণ চাৰ্কুলাৰৰ প্ৰয়োজনীয় সাল-সলনি কৰা হৈছে বুলি সঞ্চালকায়লে প্ৰকাশ কৰিছে।

০০০

বতৰ বিজ্ঞান বিভাগে কাইলৈ পৰ্যন্ত উত্তৰ-পূৰ্বাঞ্চলত প্ৰৱল  বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, ত্ৰিপুৰা, মণিপুৰ আৰু মিজোৰামত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। বতৰ বিজ্ঞান বিভাগে লগতে পূব ভাৰতৰ পৰৱৰ্তী ৪ দিন পৰ্যন্ত গ্ৰীষ্ম প্ৰৱাহৰ প্ৰকোপ অব্যাহত থাকিব পাৰে আৰু ন ন অঞ্চল গ্ৰীষ্ম প্ৰৱাহৰ কবলত পৰিব পাৰে বুলি সকিয়াই দিছে। এই সময়ছোৱাত পশ্চিমবংগৰ গংগা নৈৰ কাষৰীয়া অঞ্চলসমূহত প্ৰৱল গ্ৰীষ্ম প্ৰৱাহ বলিব পাৰে বুলিও বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। বিভাগটোৱে কৰ্ণাটকৰ ভিতৰুৱা অঞ্চল, ওড়িশা, পূব উত্তৰ প্ৰদেশ, পশ্চিম উত্তৰ প্ৰদেশ, বিহাৰ আৰু ঝাৰখণ্ডৰ ঠাই বিশেষ গ্ৰীষ্ম প্ৰৱাহৰ কবলত পৰিব পাৰে বুলি আগলি বতৰা দিছে। ওড়িশা, পশ্চিমবংগৰ গংগা নৈৰ কাষৰীয়া অঞ্চল, ৰায়েলচিমা, ঝাৰখণ্ড, বিদৰ্ভ, ছট্টিশগড়, দক্ষিণ-পশ্চিম মধ্যপ্ৰদেশ, তেলেংগানা আৰু অন্ধ্ৰপ্ৰদেশৰ উপকুল ভাগত সৰ্বোচ্চ তাপমাত্ৰা ৪২ ৰ পৰা ৪৫ ডিগ্ৰী ছেলছিয়াছলৈ বৃদ্ধি পাব পাৰে বুলি আশংকা প্ৰকাশ কৰিছে।

০০০

আৰ্চ্চাৰী বিশ্বকাপ ২০২৪ আজি চীনৰ ছাংঘাইত আৰম্ভ হ'ব। ৩ বাৰকৈ অলিম্পিকত অংশগ্ৰহণ কৰা দিপিকা কুমাৰীয়ে এই প্ৰতিযোগিতাত ভাৰতীয় প্ৰত্যাহ্বানৰ গুৰি ধৰিব। ভাৰতে ২৩ৰ পৰা ২৮ এপ্ৰিললৈ হবলগীয়া প্ৰতিযোগিতাৰ প্ৰথম পৰ্যায়ত অংশগ্ৰহণ কৰাৰ বাবে এটা ১৬ জনীয়া দল প্ৰেৰণ কৰিছে।

০০০

চেন্নাই ছুপাৰ কিংছ কিছুসময়ৰ পাছত চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ মুখামুখি হ'ব।

ইপিনে, প্ৰতিযোগিতাত জয়পুৰৰ ছৱাই মান সিং ষ্টেডিয়ামত কালি অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে মুম্বাই ইণ্ডিয়ানছক ৯ উইকেটত পৰাস্ত কৰে।

০০০

ঃঃ সমাপ্ত ঃঃ